# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-10-2026
**Time :** 6-45 PM

## ***Assamese Evening Bulletin***
### **Headlines**
**-------------------**

১। দাক্ষিনাত্যত অসমীয়া লোকৰ গুৰুত্বপূৰ্ণ আশ্ৰয়স্থল হিচাপে বেংগালুৰুত অসম ভৱন মুকলি।

২। শাৰদীয় দুৰ্গা পুজা উপলক্ষে ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশ। আজি ষষ্ঠীৰ বেলবোধন।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সন্দীপন গাৰ্গৰ জামিন মঞ্জুৰ।

৪। লোকপিয়ল আইন ১৯৪৮ ৰ অধীনত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ লোকপিয়ল সংশোধনী অধিনিয়ম ২০২৬ প্ৰৱৰ্তন।

*আৰু*

৫। ৰাজ্যত ফটোযুক্ত ভোটদাতা তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত নিৰ্মাণ কৰা অসম ভৱন আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। এই অসম ভৱন, কৰ্ণাটককে ধৰি দাক্ষিণাত্যত বাস কৰা, বিভিন্ন কামত নিয়োজিত নাইবা চিকিৎসা আদিৰ বাবে যোৱা অসমৰ লোকসকলৰ বাবে গুৰুত্বপূৰ্ণ আশ্ৰয়স্থল হিচাপে বিবেচিত হ'ব বুলি আশা কৰা হৈছে। ৭১ কোটি টকা ব্যয়েৰে অত্যাধুনিক সা-সুবিধাৰে সমৃদ্ধ কৰি অসম ভৱনৰ ছমহলীয়া অট্টালিকাটো নিৰ্মাণ কৰা হৈছে। অসমৰ পৰা যোৱা সাধাৰণ নাগৰিক, চৰকাৰী বিষয়া আৰু ভি আই পি অতিথিৰ বাবে পৃথকে সু-সজ্জিত কক্ষৰ লগতে ২৪ খন বিছনাযুক্ত শয়নকক্ষ আৰু ১২ খন বিছনাযুক্ত ছাউনী নিৰ্মাণ কৰা হৈছে। উল্লেখযোগ্য যে বেংগালুৰুৰ অসম ভৱনত ৩ টা ভি ভি আই পি কক্ষ, চাৰিটা ভি আই পি, ২৬ টা সাধাৰণ আৰু ৩৬ টা দুখন আসনযুক্ত কক্ষ নিৰ্মাণ কৰা হৈছে। এইবোৰৰ লগতে ইয়াত ৫ টা সন্মিলনকক্ষ আৰু দ্বৈত কোঠাযুক্ত দুটা এপাৰ্টমেণ্টো আছে।

বেংগালুৰুৰ বিভিন্ন আগশাৰীৰ চিকিৎসালয়লৈ চিকিৎসাৰ বাবে যোৱা অসমৰ ৰোগী, ছাত্ৰ-ছাত্ৰী, পেছাদাৰী ব্যক্তি অথবা অন্যান্য লোকে কম খৰচত এই অসম ভৱনত সুৰক্ষিত আৰু সুলভ আবাসৰ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

*(বাইট)*

কৰ্ণাটকত বসবাস কৰা প্ৰবাসী অসমীয়া সমাজৰ মাজত সমন্বয় ৰক্ষা আৰু অসমৰ শিল্প সংস্কৃতি প্ৰচাৰৰ কেন্দ্ৰ বিন্দু হিচাপেও বেংগালুৰুৰ অসম ভৱনে সেৱা আগবঢ়াব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছিকিউৰিটী গাৰ্ডৰ দৰে কামৰ বাবে অসমৰ যুৱক-যুৱতী বহিঃ ৰাজ্যলৈ যোৱাটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি কয়, যে অসমত ঔদ্যোগিকৰণ, কৃষি বিপ্লব আৰু নিৰন্তৰ নিযুক্তি প্ৰক্ৰিয়া অব্যাহত থাকিলে এই সমস্যাৰ সমাধান হ'ব।

*(বাইট)*

ইপিনে, মুখ্যমন্ত্ৰীয়ে বেংগালুৰুৰ অসম ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছতে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ অনলাইন প'ৰ্টেল তথা নিৰ্দ্ধাৰিত ব্যৱস্থাৰ জৰিয়তে কোঠা সংৰক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে। বিশ্বাস অনুসৰি এইবাৰ দেৱী দুৰ্গাৰ ঘোঁৰাত আগমন ঘটিছে আৰু নাৱত গমন হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। নৱৰাত্ৰিৰ ষষ্ঠ দিনটোত দেৱী দুৰ্গাক কাত্যায়নী ৰূপত পূজা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে দেশবাসীক ওলগ জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে দেৱীৰ আশীৰ্বাদে যেন সকলোৰে জীৱনলৈ অপাৰ শক্তি, সাহস আৰু ইতিবাচক শক্তিৰ বতৰা কঢ়িয়াই আনে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দুৰ্গা পূজা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয়, যে দুৰ্গা পূজাই অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ জয়ৰ চিৰন্তন সাৰমৰ্মক চিহ্নিত কৰে। দুৰ্গোৎসৱে সকলো অশুভ শক্তিৰ বিৰুদ্ধে একত্ৰিত হৈ যুঁজ দিয়াৰ ভাৱনাক শক্তিশালী কৰিব বুলি তেওঁ কামনা কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইও শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই প্ৰতিগৰাকী লোকৰ জীৱনলৈ নতুন আশা, শক্তি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি কামনা কৰে।

**গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চিচি টিভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৫৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

**বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ত আজিৰে পৰা ছদিনীয়াকৈ ১৭৬ সংখ্যক সাৰ্বজননী দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

বান বিধবস্ত **শিৱসাগৰ** জিলাত দুৰ্গা পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বানত ক্ষতিগ্ৰস্ত জনসাধাৰণৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি পূজা সমিতিসমূহে এইবেলি জাক-জমকতা পৰিহাৰ কৰি থলুৱা সামগ্ৰীৰে মণ্ডপসমূহ সজাই তুলিছে। **গোৱালপাৰা** জিলাৰ ১৪৩খন মণ্ডপত এইবেলি দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অন্যতম অভিযুক্ত সন্দীপন গাৰ্গৰ আজি জামিন মঞ্জুৰ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰাজেশ মজুমদাৰৰ বিচাৰপীঠে আজি অভিযুক্ত সন্দীপন গাৰ্গৰ জামিন আবেদন মঞ্জুৰ কৰে। কেইবাদিনো ধৰি চলা শুনানিত অভিযুক্ত আৰু চৰকাৰী পক্ষৰ যুক্তি অৱলোকন কৰাৰ পাছত ন্যায়াধীশ শ্ৰীমজুমদাৰ এবছৰৰ অধিক সময় কাৰাৰুদ্ধ হৈ থকা, গোচৰৰ অভিযোগনামা দাখিল হোৱা আৰু ফাষ্ট ট্ৰেক আদালতৰ বিচাৰ প্ৰক্ৰিয়াকে ধৰি বিভিন্ন দিশ বিবেচনা কৰি অভিযুক্ত সন্দীপন গাৰ্গৰ জামিন আবেদন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত আয়োজিত নৰ্থ ইষ্ট ফেষ্টিভেলৰ বাবে প্ৰয়াত শিল্পীজনৰ সৈতে সম্বন্ধীয় ভাতৃ আৰু অসম আৰক্ষীৰ তদানিন্তন উপ আৰক্ষী অধীক্ষক সন্দীপন গাৰ্গ ছিংগাপুৰলৈ গৈছিল। ৰহস্যজনক পৰিস্থিতিত শিল্পীগৰাকীৰ মৃত্যুৰ পাছত বিশেষ তদন্তকাৰী গোটে অভিযুক্ত শ্ৰীগাৰ্গক যোৱা বছৰৰ ৮ অক্টোবৰত গ্ৰেপ্তাৰ কৰে। তেতিয়াৰ পৰা যোৱা প্ৰায় এবছৰ ধৰি তেওঁ বাক্সা জিলা কাৰাগাৰত বন্দী হৈ আছিল। প্ৰয়োজনীয় আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত দুৰ্গা পূজাৰ পাছত

অসম আৰক্ষীৰ নিলম্বিত বিষয়াগৰাকীৰ জামিন পোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে এই গোচৰত আন এগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্তকো জামিন প্ৰদান কৰা হৈছিল।

ইফালে ন্যায়াধীশ শৰ্মিলা  ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত সাক্ষ্য প্ৰদান অব্যাহত আছে। আজিও আদালতত এজন সাক্ষীয়ে সাক্ষ্য প্ৰদান কৰিছে।

০০০০০

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে লোকপিয়ল আইন ১৯৪৮ৰ অধীনত লোকপিয়ল সংশোধনী অধিনিয়ম ২০২৬ প্ৰৱৰ্তন কৰিছে। মন্ত্ৰালয়ে এই সন্দৰ্ভত এখন ৰাজপত্ৰিত অধিসূচনা জাৰি কৰিছে। এই সংশোধনীৰ জৰিয়তে শিক্ষক, চৰকাৰী বিষয়া, স্থানীয় প্ৰাধিকৰণৰ কৰ্মচাৰী তথা ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয় শাসিত প্ৰশাসনৰ দ্বাৰা উপযুক্ত বুলি বিবেচনা কৰা অন্যান্য ব্যক্তিক অন্তৰ্ভুক্ত কৰাৰ বাবে যোগ্য গণনাকাৰীসকলৰ তালিকাৰ সংশোধন কৰা হৈছে। এই সংশোধিত অধিনিয়ম অনুসৰি চৰকাৰী, স্থানীয় কৰ্তৃপক্ষ, সাহায্যপ্ৰাপ্ত আৰু সাহায্য লাভ নকৰা ব্যক্তিগত শিক্ষানুষ্ঠানৰ লগতে কোনো সমাজ বা ন্যাসে পৰিচালনা কৰা প্ৰতিষ্ঠানৰ শিক্ষকসকলক গণনাকাৰী হিচাপে নিযুক্তি দিব পৰা যাব। তদুপৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ,    স্থানীয় কৰ্তৃপক্ষ আৰু বিভিন্ন প্ৰতিষ্ঠানত কৰ্মৰত কেৰানী আৰু অন্যান্য বিষয়াসকলকো এই সংশোধনীৰ জৰিয়তে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

কোকৰাঝাৰৰ বি টি চিৰ সচিবালয়ত আজি অনুষ্ঠিত বি টি চিৰ কাৰ্য নিৰ্বাহক পৰিষদৰ বৈঠকত বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে অধ্যক্ষতা কৰে। বৈঠকত পৰিষদৰ কাৰ্যকৰী সদস্য তথা বিভাগীয় চৰকাৰী বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত বি টি চি অঞ্চলৰ সৰ্বাংগীন উন্নতিৰ বাবে আলোচনা অনুষ্ঠিত হয়। বিশেষকৈ অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়, জনকল্যাণ, আন্তঃগাঁথনি উন্নয়ন আৰু ফলপ্ৰসূ প্ৰশাসন বিষয়ক বহু দিশ আলোচনা কৰা হয়। এই বৈঠকতে বিটিচি প্ৰধান শ্ৰী মহিলাৰীয়ে বিটিচি অঞ্চলৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ নাম ফলক সন্দৰ্ভত হোৱা আলোচনাৰ বিষয়ে সাংবাদিকৰ আগত এইদৰে কয়-

(বাইট ঃ মহিলাৰী)

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত ‘বহনক্ষম উন্নয়নৰ বাবে স্থানীয় সামগ্ৰী ব্যৱহাৰৰ পোষকতা’ বিষয়ক এটি অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। অনুষ্ঠানত ভাগ ল’ব CARE U 365 নামৰ সংস্থাৰ মুৰব্বী তথা সমাজসেৱী ভৃগু বৰঠাকুৰ আৰু বজাৰ বিশ্লেষক বিতোপন মজুমদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মাই।

শ্ৰোতাসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে’চবুক পেজৰ জৰিয়তেও অনুষ্ঠানটো শুনিবলৈ পাব।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত অগৰাতলী বনাঞ্চল আজিৰে পৰা পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় উদ্যানখনৰ বন সংমণ্ডল বিষয়া অৰুণ ৱিগনেছ, নিপকোৰ স্বতন্ত্ৰ সঞ্চালক অনিৰেশ শইকীয়া, জীপ ছাফাৰী সন্থাৰ প্ৰতিনিধিকে ধৰি ভালে সংখ্যক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে পৰিভ্ৰমী চৰাইৰ বিচৰণ ভূমি অগৰাতলী বনাঞ্চল বাৰিষাৰ সময়ছোৱাত পৰ্যটকৰ বাবে বন্ধ ৰখা হয়। এই বনাঞ্চলৰ মূল আকৰ্ষণ  চহলা বিলত বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী আৰু স্থানীয় চৰাইৰ সমাগম দেখা পোৱা যায়। পৰ্যটকৰ সুবিধা আৰু সুৰক্ষাৰ বাবে বন বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যত শুদ্ধ, সুলভ আৰু ত্ৰুটিমুক্ত ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ উদ্দেশ্যে ফটোযুক্ত ভোটদাতা তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী কাৰ্যসূচী হাতত লোৱা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে আজি প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি এই প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্যখনৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ এশ শতাংশ প্ৰত্যক্ষ পৰীক্ষণৰ জৰিয়তে ভোটাৰ তালিকাৰ যুক্তিপূৰ্ণ পুনৰ গঠন কৰা হ'ব। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি কোনো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ সংখ্যা এহেজাৰ ২০০ গৰাকীতকৈ বেছি হব নোৱাৰিব। ভোটদাতাই যাতে ভোটদানৰ বাবে ২ কিলোমিটাৰতকৈ বেচি দূৰত্ব ভ্ৰমণ কৰিবলগীয়া নহয় আৰু কোনো প্ৰাকৃতিক বাধাৰ সন্মুখীন হবলগীয়া নহয় তাৰ প্ৰতি বিশেষ লক্ষ্য ৰখা হ'ব। ভোটদাতাৰ সুবিধালৈ লক্ষ্য ৰাখি ভোটগ্ৰহণ কেন্দ্ৰসমূহ ভূমি মহলাত স্থাপন কৰা হ'ব। চহৰৰ বস্তি অঞ্চল, উচ্চ অট্টালিকা আৰু আৱাসিক কলনিসমূহত নতুন ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ বাবে বিশেষ জৰীপ চলোৱা হব। এশ শতাংশ প্ৰত্যক্ষ পৰীক্ষণ আৰু স্বীকৃত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতে আলোচনাৰ পাছতহে নতুন ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন অথবা স্থান সলনিৰ একত্ৰিত প্ৰস্তাৱ নিৰ্বাচন আয়োগৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হ'ব। দ্বৈত নামভুক্তি, মৃত ভোটদাতা আৰু স্থায়ীভাৱে স্থানান্তৰিত ভোটদাতাসকলৰ নাম তালিকাৰ পৰা আঁতৰাবলৈ প্ৰপত্ৰ -৭ ৰ জৰিয়তে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হব। এই সংশোধনীৰ সময়সূচী অনুযায়ী একত্ৰিত খচৰা ভোটাৰ তালিকা ১২ নৱেম্বৰৰ ভিতৰত প্ৰকাশ কৰা হ'ব আৰু ১২ নৱেম্বৰৰ পৰা ১১ ডিচেম্বৰৰ ভিতৰত এই সন্দৰ্ভত দাবী আৰু আপত্তি দাখিল কৰিব পাৰিব। ২৮ ডিচেম্বৰৰ ভিতৰত এই আপত্তিসমূহৰ নিস্পত্তি কৰি অহা বছৰৰ ৪ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হব বুলি মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত